**Regional News Unit**

AKASHVANI, Guwahati

0000000000

**Date :** 28-07-2024

**Time :** 1715 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - - - - - - - -

অসমৰ ঐতিহাসিক চৰাইদেউ মৈদাম ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৌৰৱ প্ৰকাশ কৰে। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰাইদেউ মৈদাম ভাৰতৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো সাংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। এই মৈদামসমূহৰ গুৰুত্ব সন্দৰ্ভত বাখ্যা কৰি শ্ৰীমোদীয়ে কয় যে, আহোম সাম্ৰাজ্যৰ প্ৰথম ৰাজধানী চৰাইদেউত আহোম ৰাজবংশৰ গণ্য মান্য ব্যক্তিসকলৰ মৃতদেহ আৰু মূল্যবান সা-সম্পত্তিসমূহৰ সমাধি তথা সংৰক্ষণ ক্ষেত্ৰ। মন কী বাতৰ আজিৰ সম্প্ৰচাৰত প্ৰধানমন্ত্ৰীয়ে ত্ৰয়োদশ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈকে বৰ্তি থকা আহোম সাম্ৰাজ্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে আহোম শাসকসকলৰ প্ৰশাসনীয় নীতি আৰু গণসম্পৰ্ক ইমানেই শক্তিশালী আছিল যে ই সুদীৰ্ঘ দিনৰ বাবে শাসনতন্ত্ৰটোক শক্তিশালী কৰি ৰাখিছিল। শ্ৰীমোদীয়ে নিজৰ বক্তব্যত মহান আহোম বীৰ যোদ্ধা লাচিত বৰফুকনৰ এটা বিশাল প্ৰতিমূৰ্তি চলিত বছৰৰ ৯ মাৰ্চত উদ্বোধন কৰাৰ মূহুৰ্তটোও স্মৰণ কৰে। তেওঁ কয় যে, লাচিত বৰফুকনৰ মৈদামত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ প্ৰশান্তি অনুভৱ কৰিছিল। চৰাইদেউ মৈদামক অসম ভ্ৰমণৰ অন্যতম আকৰ্ষণ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে পৰ্যটকসকলক আহ্বান জনায়।

শ্ৰীমোদীয়ে উল্লেখ কৰে যে, এখন দেশ নিজৰ সংস্কৃতিৰ গৌৰৱবোধৰ জৰিয়তেহে প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰে। এই প্ৰসংগত মেড ইন ইণ্ডিয়াৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ বিষয়ত আলোকপাত কৰি তেওঁ ভাৰতৰ ৰাজহুৱা কলাসমূহক প্ৰতিফলিত কৰা **পাৰি** প্ৰকল্পৰ বিষয়েও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে পথৰ দাঁতি, দেৱাল আদিত চিত্ৰাংকন কৰা ৰাজহুৱা কলা শিল্পীসকলৰ ভূয়সী প্ৰশংসা কৰে। এই কাৰ্যই ৰাজহুৱা স্থানসমূহৰ সৌন্দৰ্য বৰ্ধন কৰাৰ লগতে ভাৰতীয় সংস্কৃতিক অধিক জনপ্ৰিয় কৰি তোলাতো সহায় কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। এই ক্ষেত্ৰত তেওঁ দিল্লীৰ ভাৰত মণ্ডপম আৰু সমগ্ৰ দেশৰ উৰণ সেঁতুসমূহৰ উদাহৰণ দিয়ে।

দেশৰ হস্ততাঁত বস্ত্ৰশিল্পৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন কৰা হ'ব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে দেশৰ ভিন্ন অংশৰ শিল্পীসকলে হস্ততাঁতক জনপ্ৰিয় কৰাত যোগোৱা অৱদানৰ বাবে সন্তোষ প্ৰকাশ কৰে। তেওঁ এই প্ৰসংগত ওড়িশাৰ সম্বলপুৰী শাৰী, মধ্য প্ৰদেশৰ মহেশ্বৰী শাৰী, মহাৰাষ্ট্ৰৰ পাইথানী, বিদৰ্ভৰ হস্ত ব্লক প্ৰিণ্ট, হিমাচল প্ৰদেশৰ ভূটিকো শ্বল তথা উলৰ কাপোৰ আৰু জম্মু কাশ্মীৰৰ কানি শ্বলৰ উদাহৰণ দিয়ে। তেওঁ লগতে কয় যে, বহুতো ব্যক্তিগত কোম্পানীয়েও হস্ততাঁত সামগ্ৰীক জনপ্ৰিয় কৰাত অৰিহণা যোগাই আহিছে। তেওঁ হস্ততাঁত সা-সামগ্ৰীক জনপ্ৰিয় কৰি তোলাত ভূমিকা লৈ অহা কোচা এ আই, হেণ্ডলুম ইণ্ডিয়া, ডি জাংক, নভাটেক্স, ব্ৰহ্মপুত্ৰ ফেবলছ্‌কে ধৰি বিভিন্ন ষ্টাৰ্ট আপৰ বিষয়ে উল্লেখ কৰে।

শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণক খাদী আৰু থলুৱা হস্ততাঁত আকোৱালি লবলৈ আহ্বান জনায়।

মন কী বাতৰ এই খণ্ডত প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সৰ পেৰিছত আৰম্ভ হোৱা অলিম্পিক গেমছৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ ভাৰতীয় খেলুৱৈসকলক উৎসাহিত কৰিবলৈ দেশবাসীক আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে অলপতে হৈ যোৱা আন্তৰ্জাতিক গণিত অলিম্পিয়াদত ভাৰতীয় শিক্ষাৰ্থীসকলে সুন্দৰ প্ৰদৰ্শনৰ বিষয়টোও মন কী বাতত উত্থাপন কৰে। এই অলিম্পিয়াদত ভাৰতীয় দলটোৱে ৪ টা সোণৰ আৰু এটা ৰূপৰ পদক লাভ কৰি শীৰ্ষ ৫ টা দলৰ ভিতৰত স্থান লাভ কৰে। আন্তৰ্জাতিক গণিত অলিম্পিয়াদত এইবাৰ এশ খনৰো অধিক দেশৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে এই অলিম্পিয়াদত অংশগ্ৰহণেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকল ক্ৰমে পুণেৰ আদিত্য ভেংকত গণেশ আৰু সিদ্ধাৰ্থ চোপ্ৰা, দিল্লীৰ অৰ্জুন গুপ্তা, গ্ৰেটাৰ নইডাৰ কানৱ টালোৱাৰ, মুম্বাইৰ ৰুছিল মাথুৰ, গুৱাহাটীৰ আনন্দ ভাদুৰীৰ নাম উল্লেখ কৰে। তেওঁ এই অলিম্পিয়াদত পদকপ্ৰাপ্তসকলৰ সৈতে তেওঁলোকৰ অভিজ্ঞতাৰ সন্দৰ্ভত মত বিনিময় কৰে। ৰুছিল মাথুৰ আৰু আনন্দ ভাদুৰীয়ে কেনেকৈ এজন শিক্ষাৰ্থীয়ে গণিতৰ প্ৰতি থকা ভয় আঁতৰ কৰি বিষয়টোৰ প্ৰতি আগ্ৰহ বঢ়াই তুলিব পাৰে, সেই বিষয়ে প্ৰধানমন্ত্ৰীক বিৱৰি কয়।

ড্ৰাগছে সৃষ্টি কৰা ভয়াবহ প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা কৰি প্ৰধানমন্ত্ৰীয়ে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা মানস শীৰ্ষক বিশেষ কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। মানসৰ হেল্পলাইন আৰু পোৰ্টেল অলপতে মুকলি কৰা হৈছে। লগতে টোল ফ্ৰি নম্বৰ ১৯৩৩ ও প্ৰকাশ কৰা হৈছে। শ্ৰীমোদীয়ে কয় যে, পুনৰ সংস্থাপনৰ বিষয়ে কোনো উপদেশ বা তথ্য বিচাৰি যিকোনো লোকে এই টোল ফ্ৰি নম্বৰত ফোন কৰিব পাৰিব। তেওঁ কয়

যে, যদিহে কোনো লোকে ড্ৰাগছ বিষয়ক কোনো তথ্য লাভ কৰে তেন্তে তেওঁলোকে এই নম্বৰত ফোন কৰি মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোক এই তথ্য অৱগত কৰিব পাৰিব। মানসত জনোৱা যিকোনো তথ্য গোপনে ৰখা হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

কাইলৈ সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উদ্‌যাপন কৰা হ'ব। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, বাঘ ভাৰতীয় সংস্কৃতিৰ অপৰিহাৰ্য্য অংশ হিচাপে বিবেচিত হৈ আহিছে আৰু অৰণ্যৰে পৰিবেষ্টিত গাওঁসমূহত বাস কৰা লোকসকলে বাঘৰ সৈতে কিদৰে সমন্বয়ৰে বাস কৰিব পাৰি সেয়া ভালদৰে জানে। তেওঁ দেশৰ  ভিন্ন প্ৰান্তত বাঘ আৰু মানুহৰ মাজত বাঢ়ি অহা সংঘাতত উদ্বিগ্নতা প্ৰকাশ কৰে। বাঘ আৰু মানুহৰ মাজত সংঘাট দূৰীকৰণৰ ক্ষেত্ৰত ৰাজস্থানৰ কুলহাৰী বেণ্ড পঞ্চায়তে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ কথা উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে দেশৰ বনাঞ্চলৰ বৃদ্ধিতো সন্তোষ প্ৰকাশ কৰে। এক পেৰ মা কে নাম অভিযানৰ অংশ হিচাপে বহুসংখ্যক লোকে গছ পুলি ৰোপণ কৰা কাৰ্যত তেওঁ আনন্দ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাগত স্বাধীনতা দিৱসৰ পৰিপ্ৰেক্ষিতত শ্ৰোতাসকলক হৰ ঘৰ ত্ৰিৰংগা অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। জাতীয় পতাকাৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ হৰ ঘৰ তিৰংগা অভিযান সম্প্ৰতি এটা উৎসৱত পৰিণত হৈছে বুলি দাবী কৰে। স্বাধীনতা দিৱসৰ ভাষণত বিভিন্ন বিষয় সামৰি ল'ব পৰাকৈ মাই গভ অথবা নমো এপৰ জৰিয়তে পৰামৰ্শ আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আজি মন কী বাতৰ জৰিয়তে আহ্বান জনায়।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

সমাপ্ত